# উদয় কুমাৰ বৰুৱাৰ দুটি কবিতা

**ঈশ্বৰ অহাৰ কথা**

ঈশ্বৰ অহাৰ কথা
এটা সাক্ষাৎকাৰৰ বাবে
সীমিত সময়, প্ৰস্তুতি প্ৰায় তুংগত

বাঘা, বাঘা সাংবাদিক সকলে
অৱস্থান গ্ৰহণ কৰিছে
টি.আৰ.পিক শেষ লক্ষ্য কৰি
সজোৱা হৈছে প্ৰশ্নবোৰ

আছেনে ঈশ্বৰ হোৱাৰ কিবা প্ৰাথমিক চৰ্ত?
কিমান নিৰ্বিকাৰ হ'লে হয় ঈশ্বৰত্ব প্ৰাপ্তি ?
বিস্তাৰিত হয় নেকি ঈশ্বৰীয় বাটতো অন্ধত্ব?

নিৰ্দিষ্ট সময়ৰ আগতেই ঈশ্বৰ আহি
উপস্থিত হ'ল আৰু সাংবাদিক সকলক
উদ্দেশ্যি ক'বলৈ ধৰিলে :
হে প্ৰিয় সাংবাদিক সকল,
মোৰ বিনম্ৰ অনুৰোধ,
আপোনালোকে কাকো যেন প্ৰৰোচিত নকৰে
ঈশ্বৰত্ব প্ৰাপ্তিৰ বাবে

মোৰ এটাই দুখ :
ঈশ্বৰ হোৱাৰ আগতে
তেজ, মঙহ, আবেগ-অনুভূতিৰে আবৃত হৈ
মানুহ হ'ব নোৱাৰাতহে
হেজাৰ জনৰ দৰে মইও চাব খোজোঁ
সময় দাপোণত মোৰ ভগা মুখ
আত্মাৰ সেউজীয়া স্বৰ
দহোকুৰি, ধুপ, চন্দন, ফুল, তেজেৰে
মোক পন্য নসজাব

পাৰে যদি আপোনালোকৰ মহানতাৰ
হাতেৰে মোক নমাই আনক
মন্দিৰ, মছজিদ, গীৰ্জাৰ মস্তকৰ পৰা
এই যে একবিংশ শতিকাৰ তেজলগা
ধুলিবোৰ মোৰেইতো বুকুৰ বঙহ

বিশ্বাস কৰক,
মই যে কাৰো হৃদয়ৰ এন্ধাৰ নাশিব নোৱৰা এতিয়া
এটা মৃত সূৰ্যহে...

**অকবিতা**

কলমটোত ৰিফিল নাছিল
পেঞ্চিল ডালৰ মূৰটো ভাগি আছিল

কিমান যে কথা আছিল লিখিবলৈ
উকা কাগজ খনত দুচকুৰে কেৱল
হুমুনিয়াহৰ পাণ্ডুলিপি পঢ়িছে

খিড়িকী খন লাহেকৈ খুলি দিওঁতে
সোমাই অহা বতাহ জাক এটা লিৰিকেল কবিতা হৈছে

নাতিদূৰৈৰ বীণা গছ জোপাত মুকুল ধৰিছে
সৌ.কু.চ.ৰ তৰ্জনীৰ বেলিটোৰে তাত
ন-কৈ সৃষ্টিৰ পাতনি মেলিছে
এটা নিলিখা গানৰ সুৰত ওপঙি আছে
গোটেইখন পাণবজাৰ।

**উদয় কুমাৰ বৰুৱা** গুৱাহাটী নিবাসী এগৰাকী জ্যেষ্ঠ অসমীয়া কবি। তেওঁৰ প্ৰকাশিত কাব্য-সংকলন তিনিখন– *বৰষুণৰ বাগিচা*(২০১২); *কোনেও নকয় কথা*(২০১৫) আৰু *ক'ৰবাত জীৱনৰ আয়োজন* (২০২১)।